# Inter-Department Article Writing Competition

An article writing competition was organized by Department of English among the students of Sankardeva Mahavidyalaya on 05-06-2021. The Department declared that the best three articles will be awarded with books and certificates. After proper scrutiny, three students were awarded with prizes by the department. The first prize was awarded to Kangkana Dutta, Department of Sociology for her article on the topic "The Best Book I have Read". Kangkana Dutta wrote on Rita Choudhary's book "Deolangkhui". The second prize was given to Kankana Hazarika . She wrote on stories by Lakhminath Bejboruah. The third prize was given to Sumitra Payeng for her article on Miri Jiyori.









শংকৰদেৱ মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ পদক্ষেপ

## ছাত্ৰ-ছাত্ৰীৰ মাজত প্ৰবন্ধ প্ৰতিযোগিতা

প্ৰতিদিন সেৱা, লালুক, ৬ আগষ্ট ঃ লখিমপুৰ জিলাৰ অন্যতম উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান পথালিপাহাৰৰ শংকৰদেৱ মহাবিদ্যালয়ৰ ইংৰাজী বিভাগে ছাত্ৰ-ছাত্ৰীৰ মাজত গ্ৰন্থৰ প্ৰতি অনুৰাগ বৃদ্ধিৰ বাবে এখন প্ৰবন্ধ প্ৰতিযোগিতা অনুষ্ঠিত কৰে। প্ৰবন্ধৰ বিষয় আছিল, 'মই পঢ়া শ্ৰেষ্ঠ গ্ৰন্থখন'। প্ৰতিযোগিতাখনত যথেষ্টসংখ্যক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে। প্ৰবন্ধসমূহৰ বিচাৰকৰ দায়িত্ব অৰ্পণ কৰা হৈছিল মহাবিদ্যালয়খনৰ অসমীয়া বিভাগৰ সহযোগী অধ্যাপক অৰুণ কুমাৰ গোস্বামীক। মহাবিদ্যালয়খনৰ অধ্যক্ষ সমন্বিতে শিক্ষাগুৰুসকলৰ উপস্থিতিত অনুষ্ঠিত অনুষ্ঠানত শ্ৰেষ্ঠ প্ৰতিযোগী তিনিগৰাকীক উৎসাহিত কৰি পুৰস্কাৰ প্ৰদান কৰা হয়। প্ৰতিযোগিতাখনৰ প্ৰথম পুৰস্কাৰ বুটলিবলৈ সক্ষম হয় সমাজতত্ত্ব বিভাগৰ ষষ্ঠ যাণ্মাসিকৰ ছাত্ৰী কংকনা দত্তই । তেওঁক সাতশ টকা মূল্যৰ কেইখনমান গ্ৰন্থ আৰু এখন প্ৰশস্তিপত্ৰ প্ৰদান কৰা হয়। দ্বিতীয় পুৰস্কাৰ লাভ কৰে মহাবিদ্যালয়ৰ ষষ্ঠ যাণ্মাসিকৰ ইংৰাজী বিভাগৰ ছাত্ৰী কংকনা হাজৰিকাই। তেওঁক পাঁচশ টকাৰ গ্ৰন্থৰে পুৰস্কৃত কৰা হয়। প্ৰতিযোগিতাত তৃতীয় পুৰস্কাৰ বুটলিবলৈ সক্ষম হয় হিন্দী বিভাগৰ দ্বিতীয় যাণ্মাসিকৰ মিচিং গাভৰু সুমিত্ৰা পায়েঙে। তেওঁক তিনিশ টকা মূল্যৰ কিতাপেৰে উৎসাহিত কৰা হয়। অনুষ্ঠানত মহাবিদ্যালয়ৰ উপাধ্যক্ষ অজিত গোস্বামীয়ে ছাত্ৰী তিনিগৰাকীক অভিনন্দন জ্ঞাপন কৰে। অনুষ্ঠানত মহাবিদ্যালয়খনৰ অন্যতম জ্যেষ্ঠ অধ্যাপক অৰুণ কুমাৰ গোস্বামীয়ে ছাত্ৰী কেইগৰাকীৰ সৃজনী প্ৰতিভাক স্বাগতম জনায়।